**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু জ্যেষ্ঠ নেতা অমিত শ্বাহে দলৰ অভূতপূৰ্ব সাফল্যৰ বাবে বিহাৰৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৯ নৱেম্বৰত পি এম কিষাণ আঁচনিৰ ২১ সংখ্যক কিস্তিৰ ধন মোকলাই দিব।

৪। কলকাতাৰ ইডেন গাৰ্ডেনছত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকা বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে।

আৰু

৫। বাংলাদেশৰ ঢাকাত চলি থকা এছিয়ান আৰ্চাৰী চেম্পিয়নশ্বিপত ভাৰতে আজি তিনিটা সোণৰ পদক লাভ কৰিছে।

ooooooooo

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে। এই পৰ্যন্ত হোৱা ভোটগণনাত এন ডি এই ১০৯খন আসনত জয়লাভ কৰাৰ লগতে ৯৩খনত আগবাঢ়ি আছে। আৰ জে ডি নেতৃত্বাধীন মহামিত্ৰজোঁট যথেষ্ট পিচ পৰি আছে আৰু এতিয়ালৈকে ১৫খন আসনত জয়লাভ কৰাৰ লগতে ২০খনত আগবাঢ়ি আছে। অন্যান্যসকলে পাঁচখনত আসনত জয়লাভ কৰিছে আৰু এখন আসনত আগবাঢ়ি আছে। আমালৈ অহা শেহতীয়া তথ্য অনুসৰি বিজেপিয়ে ৪৭খনত জয়লাভ কৰাৰ লগতে ৪৪খনত আগবাঢ়ি আছে। ইয়াৰ লগতে সহযোগী দল JDUয়ে ২৮খন আসন লাভ কৰাৰ লগতে ৫৫খনত অগ্ৰগতি লাভ কৰি আছে। এন ডি এৰ অন্যতম অংশীদাৰ LJPয়ে ৪খন আসন লাভ কৰিছে আৰু ১৫খনত আগবাঢ়ি আছে। HAM-এ এখনত জয়লাভ কৰাৰ লগতে চাৰিখন আসনত আগবাঢ়ি আছে।

RLM-এ চাৰিখন আসনত আগবাঢ়ি আছে। আনহাতে, RJDয়ে এখনত জয়লাভ কৰাৰ লগতে ২৫খনত আগবাঢ়ি আছে। কংগ্ৰেছে এখন আসন লাভ কৰিছে আৰু চাৰিখনত আগবাঢ়ি থকাৰ লগতে AIMIM-এ দুখন আসনত জয়লাভ কৰাৰ লগতে চাৰিখনত আগবাঢ়ি আছে।

ৰঘুপুৰত মহামিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী আৰ জে ডিৰ তেজস্বী প্ৰসাদ যাদৱে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ সতীশ কুমাৰৰ বিৰুদ্ধে ১৭ হাজাৰ ৮৬৬টা ভোটৰ ব্যৱধানত জয়লাভ কৰিছে।

বিজেপিৰ প্ৰাৰ্থী তথা উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে তাৰাপুৰ আসনখনৰ পৰা জয়লাভ কৰাৰ লগতে লক্ষীচৰাই সমষ্টিত বিজয় কুমাৰ সিনহাই অগ্ৰগতি লাভ কৰিছে। আলীনগৰ আসনখনত বিজেপিৰ মৈথিলী ঠাকুৰ আৰু চিৱান আসনখনত বিজেপিৰ জ্যেষ্ঠ নেতা মংগল পাণ্ডেই জয়লাভ কৰিছে।

ooooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু দলৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে মিত্ৰজোঁটৰ প্ৰতি দেখুওৱা ঐতিহাসিক আৰু অভূতপূৰ্ব সমৰ্থনৰ বাবে বিহাৰৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দলৰ এই জয়ক সুশাসন, বিকাশ, সামাজিক ন্যায় আৰু জনকল্যাণৰ বিজয় বুলি অভিহিত কৰে। তেওঁ কয় যে জনসাধাৰণৰ এই সমৰ্থনে বিহাৰৰ উন্নয়নৰ বাবে নতুন উদ্যমেৰে কাম কৰাৰ লগতে জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত চৰকাৰখনক অধিক সবল কৰি তুলিব।

শ্ৰীনাড্ডাই কয় যে বিহাৰত এন ডি এই জনসাধাৰণৰ ঐতিহাসিক সমৰ্থন লাভ কৰাটোৱেই দ্বৈত ইঞ্জিনৰ চৰকাৰৰ বিকাশকেন্দ্ৰিক আৰু জনকল্যাণমূলক আঁচনিসমূহৰ ওপৰত জনসাধাৰণৰ বিশ্বাসকেই প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয় যে সংখ্যাগৰিষ্ঠতা লাভ কৰাটোৱেই সুশাসন, সুস্থিৰতা তথা এন ডি এৰ বিকাশক যে ৰাজ্যখনে আকোঁৱালি লৈছে তাকেই প্ৰমাণ কৰিছে। শ্ৰীনাড্ডাই কয় যে এই অভূতপূৰ্ব ফলাফলে বিকশিত বিহাৰ আৰু বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত অধিক সহায় কৰিব।

ইপিনে, দলৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কয় যে বিহাৰৰ জনসাধাৰণৰ প্ৰতিটো ভোট হৈছে দেশৰ সুৰক্ষা আৰু সম্পদসমূহৰ ক্ষেত্ৰত আপোচ কৰাৰ বিৰুদ্ধে চৰকাৰৰ নীতিৰ ওপৰত জনসাধাৰণৰ বিশ্বাসৰ প্ৰতীক। শ্ৰীশ্বাহে লগতে এই নিৰ্বাচনৰ সময়ছোৱাত দলীয় কৰ্মকৰ্তাসকলৰ অবিৰত কঠোৰ পৰিশ্ৰমৰো শলাগ লয়। ৰাজ্যখনৰ জনসাধাৰণৰ আস্থা, আশা-আকাংক্ষাসমূহ অধিক উৎসৰ্গীকৃত মনোভাৱেৰে পূৰণ কৰা হ'ব বুলি তেওঁ নিশ্চিতি প্ৰদান কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৯ নৱেম্বৰত পি এম কিষাণ আঁচনিৰ ২১ সংখ্যক কিস্তি মোকলাই দিব। এই কিস্তিকে ধৰি এই আঁচনিৰ অধীনত প্ৰত্যক্ষ হস্তান্তৰ ধনৰাশিৰ পৰিমাণ ৩ লাখ ৭০ হাজাৰ কোটি টকাৰো অধিক হ'ব। ইয়াৰ জৰিয়তে দেশৰ ১১ কোটিৰো অধিক কৃষক পৰিয়াল লাভান্বিত হ'ব।

উল্লেখযোগ্য যে পি এম কিষাণ আঁচনিয়ে যোগ্য কৃষক পৰিয়ালসমূহক প্ৰতি বছৰে ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰি বিশ্বৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। এই আঁচনিখনে বৰ্তমান ইয়াৰ লাভৰ ২৫ শতাংশ মহিলা কৃষকসকলক প্ৰদান কৰিছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডিজিটেল সংস্কাৰে এই আঁচনিখন অধিক শক্তিশালী কৰি তুলিছে। মন্ত্ৰালয়ে লগতে কৈছে যে পি এম কিষাণ মোবাইল এপৰ লগতে KNOW YOUR STATUS আদিৰ লেখিয়া পোৰ্টেলসমূহে সেৱাসমূহ অধিক কৃষককেন্দ্ৰিক কৰি তোলাত সহায় কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ চুৰাটত নিৰ্মাণৰত বুলেট ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি মুম্বাই-আহমেদাবাদ সংযোগী তীব্ৰ বেগী ৰে'ল কৰিড'ৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। ইয়াৰ পাছত শ্ৰী মোদীয়ে নৰ্মদা জিলাৰ দেৱমোগ্ৰা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। তেওঁ লগতে ধৰ্‌তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডেডিয়াপাৰাত আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে ৯ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান আৰু ধৰ্‌তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত ১ লাখ গৃহ প্ৰৱেশ অনুষ্ঠানতো অংশ ল'ব।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত ৰ'টাৰী তেজাছ-ৰিংছ অব চেঞ্জ মুকলি কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সাক্ষৰতাৰ প্ৰসাৰৰ লগতে বিশুদ্ধ পানীৰ যোগান সুনিশ্চিত কৰা, পৰিবেশ সংৰক্ষণ আৰু শান্তি স্থাপনৰ ক্ষেত্ৰত ৰ'টাৰীৰ অৱদানক ভূয়সী প্ৰশংসা কৰে। ৰ'টাৰীৰ সেৱা দৰ্শন, সেৱাই পৰম ধৰ্ম - এই ভাৰতীয় আদৰ্শৰ ওপৰত আধাৰিত বুলি তেওঁ মন্তব্য কৰে।

ooooooooo

কেন্দ্ৰীয় শক্তি ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েছো নায়কে আজি নতুন দিল্লীৰ ৪৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা শক্তি মন্ত্ৰালয়ৰ এটা পেভিলিয়ন মুকলি কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনায়কে কয় যে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ আদৰ্শক প্ৰতিফলিত কৰি এই শক্তি পেভিলিয়নটোৱে দেশৰ শক্তি যাত্ৰাৰ বিকাশৰ ধাৰা প্ৰদৰ্শন কৰিব। তেওঁ কয় যে ইয়াৰ জৰিয়তে পৰম্পৰাগত শক্তিৰ পৰা স্বচ্ছ শক্তিলৈ ভাৰতৰ বিকাশৰ গতিৰ লগতে জনসাধাৰণকেন্দ্ৰিক, প্ৰযুক্তিগত, ব্যাপক তথা বহনক্ষম শক্তি পৰিবেশতন্ত্ৰৰ বিষয়ে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। দেশৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী তথা শক্তিখণ্ডৰ সৈতে জড়িত লোকসকলক এই পেভিলিয়ন পৰিদৰ্শন কৰাৰ বাবে আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ জৰিয়তে দৰ্শনাৰ্থীসকলক দেশৰ শক্তি খণ্ডৰ পৰিৱৰ্তনৰ ধাৰাৰ লগতে ভৱিষ্যতৰ সম্ভাৱনা তথা উদ্ভাৱন সন্দৰ্ভত সম্যক জ্ঞান লাভ কৰিব পাৰিব।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যোৱা কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই আজি ৰাজকোট ৰে'ল ষ্টেচনৰ পৰা ৰাজকোট আৰু পোৰবন্দৰৰ মাজত চলাচল কৰিবলগীয়া এখন বিশেষ ৰে'লগাড়ীৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমাণ্ডাভিয়াই কয় যে ৰাজকোট আৰু পোৰবন্দৰৰ মাজত দুখন নতুন ৰে'লগাড়ীয়ে সৌৰাষ্ট্ৰ অঞ্চলৰ বিকাশত বিশেষ অৰিহণা যোগাব। ইয়াৰ জৰিয়তে যাত্ৰীসকলৰ যাতায়তো অধিক সুচল হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে।

ooooo

হিন্দী চলচ্চিত্ৰ জগতৰ প্ৰখ্যাত অভিনেত্ৰী কামিনী কৌশলৰ যোৱা নিশা মুম্বাইৰ নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ। ১৯৪৬ চনত **নিচা নগৰ** বোলছবিত কৰা অভিনয়েৰে চলচ্চিত্ৰ জগতত প্ৰৱেশ কৰা কামিনী কৌশলে সাত দশকৰো অধিক কালজুৰি দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ দিলীপ কুমাৰ, দেৱানন্দ আৰু ৰাজ কাপুৰকে আদি কৰি হিন্দী চলচ্চিত্ৰ জগতৰ বহুতো জনপ্ৰিয় অভিনেতাৰ সৈতে কাম কৰি হিন্দী চলচ্চিত্ৰৰ সোণালী যুগৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী হিচাপে খ্যাতি লাভ কৰিছিল। শেষ বাৰৰ বাবে ২০২২ চনত ৯৫ বছৰ বয়সত তেওঁ আমিৰ খানৰ লাল সিং চাদ্দা নামৰ বোলছবিখনত অভিনয় কৰিছিল। অভিনেত্ৰীগৰাকীৰ মৃত্যুত হিন্দী ছবিজগতত শোকৰ ছাঁ পৰিছে।

ooooooooo

কলকাতাৰ ইডেন গাৰ্ডেনছত আজি আৰম্ভ হোৱা ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত ব'লিঙৰ সন্মুখত দক্ষিণ আফ্ৰিকাৰ বেটিং বিপৰ্যয় ঘটে। দক্ষিণ আফ্ৰিকাই ১৫৯ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৪ অভাৰত ২৭ ৰান দি পাঁচটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ আৰু কুলদ্বীপ যাদৱে দুটাকৈ

আৰু অক্ষৰ পেটেলে এটা উইকেট দখল কৰে। ভাৰতে নিজৰ প্ৰথম ইনিংছ স্বাচ্ছন্দে আৰম্ভ কৰে যদিও ব্যক্তিগত ১২ ৰানত ভাৰতৰ অ'পেনাৰ য়শস্বী জয়ছোৱাল য়ানছেনৰ বলত আউট হয়। প্ৰথম দিনৰ সামৰণিত ভাৰতে এটা উইকেটৰ বিনিময়ত ৩৭ ৰান সংগ্ৰহ কৰিছে। কে এল ৰাহুলে ১৩ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰানত বেট ধৰি আছে।

০০০০০০০০০

বাংলাদেশৰ ঢাকাত চলি থকা এছিয়ান আৰ্চাৰী চেম্পিয়নশ্বিপ ২০২৫ প্ৰতিযোগিতাত আজি ভাৰতে তিনিটা সোণৰ পদক লাভ কৰি এছিয়ান আৰ্চাৰীত উদীয়মান শক্তি কেন্দ্ৰ হিচাপে নিজৰ স্থিতি অধিক সুদৃঢ় কৰিছে। ভাৰতে আজি প্ৰতিযোগিতাৰ ৰেকৰ্ভ শাখাত দুটা ব্যক্তিগত সোণৰ পদক লাভ কৰাৰ লগতে দলীয় শাখাত এটা সোণৰ পদক লাভ কৰিছে। দেশৰ আৰ্চাৰী সংস্থাই প্ৰকাশ কৰা অনুসৰি ভাৰতৰ অংকিতা ভাকটে কোৰিয়াৰ সুহিয়োন নামক ৭-৩ ব্যৱধানত পৰাস্ত কৰি মহিলাৰ ৰিকাৰ্ভৰ ব্যক্তিগত শাখাৰ স্বৰ্ণ পদক লাভ কৰে। একেদৰে ভাৰতৰ ধীৰাজ বোম্মাদেৱৰাই ৰাহুলক ৬-২ পইন্টত পৰাস্ত কৰি পুৰুষৰ ৰিকাৰ্ভ ব্যক্তিগত শাখাৰ সোণৰ পদক লাভ কৰে। আৰ্চাৰী সংস্থাই প্ৰকাশ কৰা মতে ধীৰাজ হৈছে এছিয়ান চেম্পিয়নশ্বিপত সোণৰ পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ ধনুৰ্বিদ। দলীয় শাখাত ভাৰতৰ যশদীপ ভোগে, অতনু দাস আৰু ৰাহুলৰ দলটোৱে কোৰিয়াৰ বিৰুদ্ধে ৫-৪ পইন্টত জয়লাভ সোণৰ পদক অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে কালিৰ কম্পাউণ্ড শাখাত ভাৰতে ইতিমধ্যে তিনিটা স্বৰ্ণ আৰু দুটা ৰূপৰ পদক লাভ কৰিছিল। আজিৰ এই বিজয়ৰ সৈতে ভাৰতৰ পদকৰ সংখ্যা ৬টা সোণ আৰু তিনিটা ৰূপৰ পদকলৈ বৃদ্ধি পাইছে। আৰ্চাৰী সংস্থাই খেলুৱৈসকলক তেওঁলোকৰ একাগ্ৰতা, অনুশাসন আৰু চাপৰ মাজতো সুস্থিৰ হৈ খেলাৰ বাবে প্ৰশংসা কৰাৰ লগতে এই প্ৰদৰ্শনক দেশৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলিও অভিহিত কৰিছে।

০০০০০০০০০

সমাপ্ত